**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

***Headlines***

১। ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ। কাইলৈৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা।

২। নিৰ্বাচন আয়োগৰ আজি ৰাজ্যৰ বিশেষ সংশোধিত ভোটাৰ তালিকা প্ৰকাশ।

৩। সমগ্ৰ বিশ্বজুৰি আজি সুৰক্ষিত ইণ্টাৰনেট দিৱস পালন।

**আৰু**

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নামিবিয়াৰ বিৰুদ্ধে নেডাৰলেণ্ডছৰ বৰ্তমানলৈ দুটা উইকেটৰ বিনিময়ত ৯৫ ৰান। নিউজিলেণ্ড আৰু ইউ এ ইৰ মাজত/ আৰু পাকিস্তান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত আজিৰ আন দুখন খেল।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ ৪৩ গৰাকী জন ছাত্ৰ আৰু দুই লাখ ৪৮ হেজাৰ ৩২২ গৰাকী ছাত্ৰী সামৰি মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। পুৱা ৯ বজাৰ পৰা প্ৰথম দিনৰ পৰীক্ষা অনুষ্ঠিত হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষা, ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। আজি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব। এইবাৰ প্ৰশ্নকাকতৰ ক্ষেত্ৰত পৰিষদে কিছুমান নতুন ব্যৱস্থা গ্ৰহণ কৰিছে। বিগত বৰ্ষবোৰৰ দৰে কেইবাটাও ভাষাত পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হব পাৰিব যদিও একেখন প্ৰশ্নকাকতৰ বিপৰীতে এইবাৰ অসমীয়া, ইংৰাজী, বড়ো আৰু হিন্দী মাধ্যমৰ প্ৰশ্নকাকত পৃথককৈ ছপা কৰা হৈছে। পৰীক্ষাৰ সময়ছোৱাত কোনো অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হব নোৱাৰাৰ প্ৰতিও পৰিষদে বিশেষ নজৰ ৰাখিছে।

ইপিনে কাইলৈৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষা অনুষ্ঠিত হব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৮২১ টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ পৰীক্ষাৰ্থী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱৰ্তীণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিছতে মুঠ ৪৮ টা পৰীক্ষাৰ মূল্যায়ন

মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহক মাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জনাইছে।

০০০০০০০

ৰাজ্যত বিশেষ সংশোধিত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বাবে যোৱা বছৰৰ ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ পৰীক্ষণ সম্পন্ন কৰিছিল আৰু ইয়াৰ পাছতে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছিল। ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীলৈ খচৰা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি সন্দৰ্ভত দাবী আৰু আপত্তি গ্ৰহণ কৰা হৈছিল যদিও কেইখনমান জিলাত ওজৰ-আপত্তি অধিক হোৱাৰ বাবে আয়োগে দাবী আৰু আপত্তি গ্ৰহণৰ সময় বৃদ্ধি কৰিছিল। ৰাজ্যিক নিৰ্বাচন আয়োগে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পূৰ্বে দিয়া এটা নিৰ্দেশ অনুসৰি সংশোধনৰ সময়ত বিভিন্ন কাৰণত স্থায়ীভাৱে স্থানান্তৰিত হোৱাৰ বাবে নাম কৰ্তন হোৱা ভোটদাতাসকলক সকাহ দি আয়োগৰ ৬ নম্বৰ প্ৰ-পত্ৰ দাখিল কৰিবলৈ আহ্বান জনাইছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াই সকলো জিলাৰ নিৰ্বাচনী বিষয়ালৈ দিয়া নিৰ্দেশ অনুসৰি ৰাজ্যত বিভিন্ন কাৰণত প্ৰশাসনিক কাৰ্য-কলাপৰ পৰিপ্ৰেক্ষিতত কিছুসংখ্যক ভোটদাতাক স্থায়ীভাৱে স্থানান্তৰিত বুলি তালিকাৰ পৰা আঁতৰাই দিয়া হৈছিল যদিও স্থানান্তৰৰ বাবে আবেদন দাখিল কৰিব পৰা হোৱা নাছিল। এনে ভোটদাতাসকলে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পাছত ৬ নম্বৰ প্ৰ-পত্ৰযোগে আবেদন কৰিব পাৰিব বুলি কোৱা হৈছে। অৱশ্যে অযোগ্য ভোটাৰৰ নাম যাতে অন্তৰ্ভুক্ত নহয়, তাৰপ্ৰতি দৃষ্টি ৰাখিবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ অহা ১৭-১৮ ফেব্ৰুৱাৰীত দেশৰ নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীসহ এটা উচ্চস্তৰীয় দলে নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ পৰিস্থিতি অধ্যয়ন কৰিব। ইয়াৰ আগেয়ে দুদিনপূৰ্বে ৰাজ্যখনলৈ অহা দেশৰ নিৰ্বাচন আয়োগৰ উচ্চস্তৰীয় প্ৰতিনিধি দলটো কালি সন্ধিয়া দিল্লীলৈ উভতি যায়।

০০০০০০০

সমগ্ৰ বিশ্বজুৰি আজি সুৰক্ষিত ইণ্টাৰনেট দিৱস পালন কৰা হৈছে। কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত তথ্য সমৃদ্ধ, সুৰক্ষিত আৰু দায়বদ্ধ হৈ থকাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি এই দিৱস পালন কৰা হয়। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হ'ল - Smart tech. safe choices-Exploring the safe and responsible use of AI ।

অসমতো আন বিভিন্ন জিলাৰ লগতে কামৰূপ জিলা তথ্য বিজ্ঞান কেন্দ্ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি এই দিৱস উদযাপন কৰা হয়। সুৰক্ষিত ইণ্টাৰনেট দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত এই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব

কৰে জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই। সভাখনত ভাষণ দি তেওঁ কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰা সকলো নাগৰিককে সংবেদনশীলতাৰে কাম কৰিবলৈ আহ্বান জনায়।

বাইট

জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্তই উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিভাগৰ বহুসংখ্যক বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ উপযুক্ত প্ৰয়োগৰ জৰিয়তে কেনেদৰে সুৰক্ষিত হৈ থাকিব পাৰি সেই বিষয়েও সভাত এখন তথ্যচিত্ৰৰ জৰিয়তে বৰ্ণনা কৰা হয়।

০০০০০০০

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে শিলচৰ আৰু চাইৰাঙৰ মাজত এখন নতুন যাত্ৰীবাহী ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰে'লমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে গুৱাহাটী ৰে'ল ষ্টেচনত এটা অত্যাধুনিক যাত্ৰী জিৰণী কোঠাৰো শুভাৰম্ভ কৰে।

০০০০০০০০০

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে আজি ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকিব। তামুলপুৰ জিলাতো আজি বি পি এফ দলৰ উদ্যোগত জিলাখনৰ থাইগিৰখাৰীৰ হিৰিম্বা হালামাৰি বাথৌ ফিল্ডত বড়োলেণ্ড দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই অনুষ্ঠানত কেইবাটাও জাতি-জনগোষ্ঠীৰ স্বকীয় পৰম্পৰা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই উপলক্ষে কালিৰে পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি বড়োলেণ্ডৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হ'ব। মুকলি সভাত বি টি চিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দিৱসৰ অংশ হিচাপে বি পি এফে পাঁচটা নিৰ্বাচনী প্ৰতিশ্ৰুতি আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ লগতে কেইবাখনো আঁচনিৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত আজি বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি আজি বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ ৰখা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বড়োলেণ্ড দিৱস উপলক্ষে বড়োলেণ্ডবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই দিনটোত বড়োলেণ্ডৰ লগতে সমগ্ৰ ৰাজ্যৰ জনসাধাৰণৰ বাবে গৌৰৱ, ঐক্য আৰু শান্তিৰ প্ৰতীক বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

০০০০০০০০

আন্তঃগাঁথনি উন্নীতকৰণৰ জৰিয়তে ৰাজ্যৰ সৰ্বাংগীন বিকাশৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কালি মন্ত্ৰী পীযুষ হাজৰিকাই কমলপুৰ বিধানসভা সমষ্টিত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প মুকলি কৰে। তেওঁ পুৰণি এন টি পথৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ লগতে এখন পকী দলং মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কমলপুৰত নৱনিৰ্মিত প্ৰৱেশদ্বাৰ, পৰিদৰ্শন বঙলা আৰু কমলপুৰ ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ কাৰ্যালয় মুকলি কৰে। তেওঁ কমলপুৰ থানাৰ প্ৰস্তাৱিত নতুন গৃহ নিৰ্মাণ আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সভাত অংশ লয়।

০০০০০০০

পুৰুষৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত নেডাৰলেণ্ডছে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। খেলখনত নামিবিয়াই এই বাতৰি যুগুতোৱাৰ পৰলৈ ১৩ অ'ভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই ১০৩ ৰান কৰিছে।

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া খেলখনত নিউজিলেণ্ডে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে আৰু সন্ধিয়া ৭ বজাত কলম্বোৰ সিংহালীজ স্পৰ্টছ ক্লাবত হ'বলগীয়া খেলত পাকিস্তানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব।

কালি সন্ধিয়া গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে ৫৭ ৰানত বিজয় সাব্যস্ত কৰে। জয়ৰ বাবে দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰি দিয়া ২১৪ ৰানৰ লক্ষ্যৰে খেলি কানাডাই নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। কানাডাৰ হৈ নবনীত ধালিৱালে ৬৪ ৰানৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিৰিয়ে ৪টা উইকেট দখল কৰে। তেওঁক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইপিনে, প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ এখন খেলত কালি জিম্বাবুৱেই-ওমানক ৮ উইকেটত পৰাস্ত কৰে। কলম্বোৰ সিংহালীজ স্পোৰ্টছ ক্লাবত অনুষ্ঠিত খেলখনত ১০৪ ৰানৰ বিজয় লক্ষ্যৰে খেলি জিম্বাবুৱেই ১৩ অভাৰ ৩ টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত স্কটলেণ্ডে ইটালীক ৭৩ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে জয়ৰ বাবে নিৰ্ধাৰণ কৰি দিয়া ২০৮ ৰানৰ লক্ষ্যৰে খেলি ইটালীয়ে ১৬ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰানহে কৰিবলৈ সমৰ্থ হয়।

0000000

**সমাপ্ত**